بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّی عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জু’মা

**ছৈয়েদনা হজৰত আকদাছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) ২০১৭ চনৰ ১৭ ফেব্ৰুৱাৰী তাৰিখত লণ্ডনৰ বায়তুল ফুতুহ মছজিদত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তোমাৰ ওপৰত বিশ্বাস স্থাপনকাৰী (মান্যকাৰী) সকলক তোমাক অস্বীকাৰকাৰী (অমান্যকাৰী) সকলৰ ওপৰত আল্লাহ তায়লা কিয়ামত পৰ্যন্ত বিজয় দান কৰিব। উক্ত বাক্যশাৰীত প্ৰমাণিত হয় যে আল্লাহ তায়লা এদিন মোক নবী সকলৰ প্ৰতিচ্ছবি হিচাপে নামাকৰণ কৰিব। কাৰণ খলিফাৰ জমাত তাৰ জীৱণৰ অন্তিম দিনটোতে অস্তমিত হয়। মৃত্যুৰ পিছত একমাত্ৰ নবী সকলৰ দ্বাৰা প্ৰতিষ্ঠিত জমাত অথবা তাৰ প্ৰতিচ্ছবি স্বৰূপ জমাত চলি থাকে। এনেদৰে كَفَرُوۡا শব্দই এই ফালে ইংগিত বহন কৰে যে খিলাফতৰ বাদে মোক আৰু এটা পদমৰ্য্যদা মিলিবলৈ আছে, যিবোৰ কিছুমান নবী সকলৰ প্ৰতিচ্ছবি স্বৰূপ হ’ব।

---

হজৰত মুচলেহ মাওউদ (ৰাঃ) ৰ ইলহাম, সপোন আৰু দিব্যদৰ্শনৰ আলোকত হজৰত মুচলেহ মাওউদ (ৰাঃ) ৰ স্থান আৰু মৰ্যদা।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আঃ) য়ে কয় যে; যেনেকৈ আমি জানো যে ২০ ফেব্ৰুৱাৰীৰ দিনটো জমাত আহমদীয়াত মুচলেহ মাওউদৰ ভৰিষ্যত বাণীৰ দিন বুলি জনা যায়। এয়া আছিল এটা উচ্চ মৰ্যদা সম্পন্ন ভৰিষ্যত বাণী। যাৰ মাজেৰে হজৰত মছিহ মাওউদ (আঃ) ক এজন উচ্চ মৰ্যদাৰ গৰাকী পুত্ৰ সন্তান জন্ম হোৱাৰ খবৰ দিয়ে। যাৰ অনেক বিশেষত্ব বৰ্ণনা কৰা হৈছে। যাৰ এটা দীঘলীয়া জীৱণ আৰু হজৰত মছীহ মাওউদ (আঃ) প্ৰতিষ্ঠিত জমাতে মুচলেহ মাওউদৰ সময় ছোৱাত কল্পনাতীত উন্নতি লাভ কৰাৰ খবৰ দিয়া হৈছিল। জমাত আহমদীয়াৰ ইতিহাসে সাক্ষী বহন কৰি আহিছে যে হজৰত মিৰ্জা বশিৰ উদ্দিন মেহমুদ আহমদ মুচলেহ আলমাওউদ (ৰাঃ) ৰ ৫২ বছৰীয়া খিলাফত কালত এই ভৰিষ্যত বাণীৰ সকলো কথাই আখৰে আখৰে ফলিয়াইছে। এজন সুস্থ বিবেকবান আৰু আধ্যাত্মিক দৃষ্টি ৰাখোতাৰ বাবে উক্ত ভৰিষ্যবাণী তেখেত (আঃ) ৰ সত্যতাৰ এটা ডাঙৰ প্ৰমাণ। তিনি দিনমান পিছত ২০ ফেব্ৰুৱাৰী আহি আছে। আজি মই এই বিষয়ে হজৰত মুচলেহ মাওউদ (ৰাঃ) ৰ প্ৰদত্ত কেইটামান বিবৃতি উল্লেখ কৰিবলৈ লৈছে।

হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে ১৯১৪ চনত আল্লাহ তায়লাৰ কৃপাত খিলাফতৰ মচনদত অধিষ্ঠিত হয়। যেতিয়া হজৰত মুচলেহ মাওউদ (ৰাঃ) ৰ মাজেদি ভৰিষ্যবাণী মুচলেহ মাওউদৰ সকলো কথাই বিকশিত হোৱা দৃষ্টি গোচৰ হৈছিল তেতিয়া জমাতৰ সকলোৱে বুজি পাইছিল যে এখেতেই মুচলেহ মাওউদ কিন্তু তেখেতে নিজৰ ফালৰ এয়া ঘোষণা কৰা নাছিল। ১৯৪৪ চনত তেখেত (ৰাঃ) যে এটা সপোন দেখা অনুসৰি ঘোষণা কৰে যে তেখেতেই মুচলেহ মাওউদ হয়। তেখেত (ৰাঃ) য়ে কয় যে মোৰ মানসিকতাৰ নিৰিখত এয়া বৰ চিন্তনীয় আৰু গধুৰ বোজা স্বৰূপ যে এয়া মই ঘোষণা কৰো। যদি মই মুচলেহ মাওউদ আৰু ভৰিষ্যতবাণী মোৰ মাজেৰে পূৰ্ণ হৈ আছে তেন্তে ঠিক আছে, তাত দাবী কৰাৰ নো কি প্ৰয়োজন আছে? লোকক তেখেতে বুজাইছিল যে উম্মতে মুছলিমাৰ যি তালিকা হজৰত মছিহ মাওউদ (আঃ) ক দেখুৱাৰ পিছত ছপা কৰা হৈছিল তাৰে মাজৰ কিমান জনে নিজে দাবী কৰিছিল? অ-আদিষ্ট জনৰ বাবে দাবী কৰা জৰুৰী নহয়। দাবী কেৱল আদিষ্ট সকলৰ বিষয়ে থকা ভৰিষ্যৎ বাণীৰ ক্ষেত্ৰত জৰুৰী। অ-আদিষ্ট সকলে কেৱল কাম হে চাব লাগে। যদি কাম পূৰ্ণ হোৱা দৃষ্টি গোচৰ হয় তেন্তে দাবীৰ কিয় প্ৰয়োজন। প্ৰত্যাদিষ্ট মুজাদ্দিদ তেৰেই হ’ব পাৰে যিজনে দাৱী কৰে যেনেকৈ হজৰত মছিহ মাওউদ (আঃ) য়ে কৰিছে। গতিকে মোৰ ফালৰ পৰা মুচলেহ মাওউদ হোৱাৰ দাবী কৰাৰ প্ৰয়োজন নাই। ইয়াত মৰ্যদা লোপ পোৱাৰ কোনো কথা নাই। আচল মৰ্যদা হ’ল সেয়া যি আল্লাহ তায়লাৰ ফালৰ পৰা মিলে। মানৰ দৃষ্টিত কোনোবাই হেয় বোধ হলেও যদি খোদা তায়লাৰ বাটত তেওঁ চলে তেন্তে সি খোদাৰ দৰবাৰত

মৰ্যদা সম্পন্ন হ'ব আৰু যদি কোনোবাই মিছাৰ আশ্ৰয় লয় আৰু নিজৰ ভুল দাবীক সঠিক বুলি সাব্যস্ত কৰে আৰু চতুৰালি কৰি লোকৰ মাজত জয়লাভ কৰে তেন্তে তেওঁ খোদাৰ দৰবাতৰ সন্মান লাভ কৰিব নোৱাৰে। খোদা তায়লাৰ ওচৰত যাৰ কোনো মৰ্যদা নাই বাস্তৱত তেওঁ যিমানেই মহান নহওক কিয়, তেওঁ সকলো হেৰাই পেলাইছে বৰং একোৱে অৰ্জন কৰিব পৰা নাই। অৱশেষত তেওঁ এদিন লাঞ্চিত হবই লাগিব। গতিকে ইহ আৰু পৰকালৰ কামত সদায় সত্যৰ ওপৰত প্ৰতিষ্ঠিত থাকিবা। যিজন ব্যাক্তিয়ে খোদা তায়লাৰ বাবে লোকচান বহন কৰে দৰাচলতে তেওঁৱেই লাভবান হয়। তেখেত (ৰাঃ) য়ে বৰ্ণনা কৰিছে যে; যি সত্যতাৰ সৈতে খোদা তায়লা আছে, যাক আল্লাহ তায়লা সত্য ঠাৱৰায়, তেওঁ আল্লাহ তায়লাৰ সাক্ষ্য পূৰ্ণ কৰ্মৰ দ্বাৰাই প্ৰকাশ পায়। প্ৰয়োজন নহয় যে তাৰ বাবে তেওঁ দাবী অথবা ঘোষণা কৰে। যদি আল্লাহ তায়লা বিচাৰে যে এয়া ঘোষণা কৰা হওঁক তেন্তে ঘোষণাও হৈ যায়। গতিকে যদি কোনোবা জনক পৰীক্ষা কৰিবলৈ আছে তেন্তে তাৰ প্ৰতি থকা আল্লাহ তায়লাৰ সহায়ৰ প্ৰতি দৃষ্টি দি পৰীক্ষা কৰিব লাগে। যিয়েই নহওক তেখেত (ৰাঃ) য়ে আল্লাহ তায়লাৰ নিৰ্দেশ অনুসৰি ঘোষণা কৰে যে মইয়েই ভৱিষ্যত বাণী মুচলেহ মাওউদৰ প্ৰত্যক্ষ নিৰ্দশন। উক্ত দাবীৰ পৰিপ্ৰেক্ষিতে জমাতৰ সদস্যবৃন্দই আনন্দিত হৈছিল কিন্তু আনফালে বিৰুদ্ধবাদী সকলে অভিযোগ কৰিবলৈ আৰম্ভ কৰিলে।

গতিকে ১৯৪৫ চনত বছৰেকীয়া জলছাৰ ২৭ তাৰিখত তেখেত (ৰাঃ) য়ে মৌলবী মহম্মদ আলী চাহাবৰ বিষয়ে কয় যে; মৌলবী চাহাবে এনেয়ে মোৰ মুচলেহ মাওউদ হোৱাৰ দাবীৰ ওপৰত অভিযোগ আনিবলৈ লৈছে, যেনেকৈ মৌলবী ছানা উল্লাহ চাহাবে কৰিছিল। মই সপোন আৰু ইলহাম শুনাইছো আৰু আল্লাহ তায়লাৰ ইলহাম অনুযায়ী দাবীৰ ঘোষণা কৰিছো কিন্তু মৌলাবী মহম্মদ আলী চাহাবে নে ইয়াৰ প্ৰতিদ্বন্ধী স্বৰূপে কোনো সপোন বা ইলহাম আগবঢ়াইছে নে, আগবঢ়াব পাৰিব। গতিকে এতিয়া তাৰ হাতত অভিযোগৰ বাহিৰে কিটো আছে ? হজৰত ইব্ৰাহীম (ৰাঃ), মুছা (আঃ), ঈছা (আঃ) ৰ শত্ৰু সকলে এই কথা অস্বীকাৰ কৰিব নোৱাৰিছিল যে ইলহাম নহয় কাৰণ এওঁলোকৰ পূৰ্বৰ আম্বিয়া সকলৰ ওপৰত ইলহাম অৱতীৰ্ণ হৈছিল। তেওঁলোকে এই কথাৰ ওপৰত বিশ্বাস ৰাখিছিল সেয়া আম্বিয়া সকলক অমান্য কৰা সকলেও এই কথাটো অশ্বীকাৰ কৰিব নোৱাৰিছিল যে ইলহাম সাধাৰণতে একোৱে নহয়। নিজৰ কথা শুদ্ধ প্ৰমাণিত কৰিবলৈ আৰু আম্বিয়া সকলৰ প্ৰতিদ্বন্ধীতা কৰিবলৈ এয়া কৈছিল যে তেখেতৰ ইলহাম নিজৰ মনেগঢ়া। তেনেকৈ আজি মৌলবী মহম্মদ আলী চাহাবে কৈ আছে যে; মোৰ ইলহাম মিছা। কিন্তু কিয় আল্লাহ তায়লা তেওঁক মোৰ প্ৰতিদ্বন্ধি স্বৰূপে সত্য ইলহাম কৰি দিয়া নাই যাতে প্ৰকাশ পায় যে মৌলবী চাহাব সত্য আৰু মই মিছাৰ ওপৰত বৈ আছো। তেখেত (ৰাঃ) য়ে কয় যে বৰ আচৰিত কথা যে এক ব্যক্তি দিনে ৰাতি আল্লাহ তায়লাৰ সৃষ্টি জীৱক পথভ্ৰষ্ট কৰি আছে আৰু তাৰ বান্দাক প্ৰৱঞ্চনা, ঠগবাজী কৰি ভুল পথলৈ লৈগৈ আছে। আল্লাহ তায়লা ইয়াৰ বাবে ক্ৰোধান্বিত নহবনে। যদি ক্ৰোধান্বিত নহয় তেন্তে তাৰ কাৰণ হ'ল আল্লাহ তায়লা জানে যে মৌলবী চাহাব আল্লাহ তায়লাৰ পৰা আতৰি পৰিছে। সেই বাবে আল্লাহ তায়লা তেওঁক ইলহাম কৰা নাই। গতিকে তেওঁ প্ৰথমৰে পৰাই সত্যক অস্বীকাৰ কৰি আহিছে।

এতিয়া মই হজৰত মুচলেহ মাওউদ (ৰাঃ) ৰ কিছুমান ইলহাম সপোন, আৰু দিব্যদৰ্শন সম্পৰ্কে আলোচনা কৰিম। তেখেত (ৰাঃ) য়ে কয় যে; সৰ্ব প্ৰথম এই পদ মৰ্যদাৰ ফালে ইংগিত বহন কৰিছে যি সেযা হ'ল মোলৈ হোৱা এটা ইলহাম। যি ইলহাম হজৰত মছিহ মাওউদ (আঃ) ৰ জীৱণ কালতে মোলৈ অৱতীৰ্ণ হৈছিল আৰু মই সেয়া হজৰত মছিহ মাওউদ (আঃ) ক শুনাইছিলো। তেখেত (আঃ) য়ে সেয়া নিজৰ ইলহামৰ বহীত লিখিছিল। প্ৰথমে মই এই ইলহাম খিলাফত সম্পৰ্কে হোৱা বুলি ভাৱিছিলো কিন্তু এতিয়া মোৰ ধাৰণা সলনি হ'ল যে এয়া মোৰ এই পদমৰ্যদাৰ ফালে ইংগিত আছিল। সেই ইলহাম আছিল এয়া إِنَّ الَّذِينَ اتَّبَعُوكَ فَوْقَ الَّذِينَ كَفَرُوا إِلَىٰ يَوْمِ الْقِيَامَةِ. অৰ্থাৎঃ- নিশ্চয় আল্লাহ তায়লা তোমাৰ মান্য কাৰী সকলক অমান্যকাৰী সকলৰ ওপৰত কিয়ামত পৰ্যন্ত বিজয়ী ৰাখিব। এয়া আছিল সেই ইলহাম যি হজৰত মছিহ নাছৰিৰ ওপৰত অৱতীৰ্ণ হৈছিল যাৰ উল্লেখ কোৰ'আন কৰিমত আছে কিন্তু ইয়াত এনেদৰে আছে وَجَاعِلُ الَّذِينَ اتَّبَعُوكَ فَوْقَ الَّذِينَ كَفَرُوا إِلَىٰ يَوْمِ الْقِيَامَةِ- আৰু ইয়াত আছে এনেদৰে إِنَّ الَّذِينَ اتَّبَعُوكَ فَوْقَ الَّذِينَ كَفَرُوا إِلَىٰ يَوْمِ الْقِيَامَةِ ইয়াৰ কাৰণ হ'ল মছিহ নাছৰি মুছুবি ছিলছিলাৰ শেষ নবুয়তৰ দাবীদাৰ আছিল। এনেধৰণৰ দাবীৰ বিৰুদ্ধে জৰুৰী হয় আৰু দীঘলীয়া এটা সময়ৰ পিছত সেই নবীৰ ওপৰত মানুহে ঈমান স্থাপন কৰে। কিন্তু মুচলেহ মাওউদৰ ভৱিষ্যবাণীত যিহেতু আল্লাহ তায়লা প্ৰথমে খলিফা বনাবলৈ আছিল

আৰু খলিফায় সাধাৰণতে নবীয়ে গঠিত জমাত পাই যায়, সেই বাবে ইয়াত জাইলুল্লাজিনা ৰ অংশ নাছিল। গতিকে جَاعِلُ الَّذِيْنَ উল্লেখ কৰি আল্লাহ তায়লা এই ফালে ইংগিত দিছে যে তুমি এটা নবীয়ে গঠিত কৰা জমাত লাভ কৰিবা। এদিন সেই জমাত প্ৰতিচ্ছবি হিচাপে তোমাৰ জমাত বুলি ধৰা হ'ব। কিছুমান লোকে তোমাৰ বিৰুধীতা কৰিব কিন্তু তোমাৰ বয়াতলৈ অহালোক সকলক আল্লাহ তায়লা কিয়ামত পৰ্য্যন্ত তোমাক অবিশ্বাস কৰা লোক সকলকৰ ওপৰত বিজয় দান কৰিব। তুমি ইমাম হোৱাৰে দিনৰ পৰা এই বিজয়ৰ পাতনি মেলিব। অৰ্থাৎ সেই দিনা এই জমাতৰ দায়িত্ব অৰ্পিত হ'ব আৰু তোমাৰ শৰণ লোৱা সকলে বিৰুধী সকলৰ ওপৰত জয়লাভ কৰিবলৈ আৰম্ভ কৰিব। যেতিয়া মোক আল্লাহ তায়লা খিলাফতত অধিষ্ঠিত কৰিছে, তেতিয়াৰ পৰাই মোৰ বিৰুদ্ধবাদী সকলৰ ওপৰত মোৰ মান্যকাৰী সকলক বিজয় প্ৰদান কৰি আহিছে। ৪০ বছৰ আগতেই আল্লাহ তায়লা মোক খবৰ দিছিল যে মই এটা জমাতৰ ইমাম হ'ম আৰু জমাতৰে কিছুমানে তাক বিৰুধীতা কৰিব কিন্তু বেছিভাগেই মোৰ লগত থাকিব। মোৰ লগত থকা সকলে কিয়ামত পৰ্য্যন্ত মোৰ বিৰুধী সকলৰ ওপৰত বিজয়ী হৈ থাকিব। যেনেকৈ কৈছে যে তোমাৰ মান্যকাৰী সকলক তোমাক অৱিশ্বাস কৰা সকলৰ ওপৰত কিয়ামত পৰ্য্যন্ত বিজয় প্ৰদান কৰিব। এই বাক্যই সংকেত দিয়ে যে আল্লাহ তায়লা এদিন প্ৰতিচ্ছবি হিচাপে মোক নবী অৰ্থাৎ মছিহ নাছৰি আৰু মছিহ মহম্মদী হিচাপে নাম দিবলৈ আছে। কাৰণ খলিফাৰ জমাত তাৰ জীৱণৰ অন্তিম দিনটিত অস্তমিত হয়। মৃত্যুৰ পিছত একমাত্ৰ নবী সকলৰ দ্বাৰা প্ৰতিষ্ঠিত জমাত অথবা তাৰ প্ৰতিচ্ছবি স্বৰূপ জমাত চলি থাকে। এনেদৰে كَفَرُوْا শব্দই এই ফলে সংকেত দিয়ে যে খিলাফতৰ বাদে মোক আৰু এটা পদমৰ্যদা মিলিবলৈ আছে, যি কিছুমান নবী সকলৰ প্ৰতিচ্ছবি স্বৰূপ سُبْحَانَ اللهِ لَا يُسْئَلُ عَمَّا يَفْعَلُ ـ

আকৌ তেখেত (ৰাঃ) য়ে উল্লেখ কৰিছে যে; হজৰত মছিহ মাওউদ (আঃ) ৰ জীৱদশাতেই মই দিব্যদৰ্শন লাভ কৰিছিলো। সেইটোৱেও এই স্থানৰ সাক্ষ্য বহন কৰে। মই দেখলিো যে, মই সেই কোঠালিটোৰ পৰা ওলাই আছো য'ত হজৰত মছিহ মাওউদ (আঃ) য়ে থাকে আৰু মই চোতাললৈ আহি দেখিলো যে হজৰত মছিহ মাওউদ (আঃ) য়ে বহি আছে। সেই সময়ত এজন মানুহে মোক এটা পাৰ্চেল দি থৈ গল আৰু কলে যে ইয়াৰে কিছুমান তোমাৰ বাবে আৰু কিছুমান হজৰত মছিহ মাওউদ (আঃ) ৰ বাবে। মই সেই দিব্যদৰ্শণৰ অৱস্থাতে পাৰ্চেলৰ ঠিকনাত লিখিত দুটা নাম দেখিলো যে মহি উদ্দিন আৰু মইন উদ্দিনক দিব লাগে। মই সেই দিব্য দৰ্শনতে বুজিব পাৰিছিলো যে ইয়াৰে এটা মছিহ মাওউদ (আঃ) ৰ নাম আনটো মোৰ নাম। মই তেতিয়া সৰু ল'ৰা আছিলো আৰু হজৰত মহি উদ্দিন আৰাবীৰ নাম শুনা নাছিলো। মই মাত্ৰ জানিছিলো যে ঔৰংজেৱৰ আন এটা নাম মহি উদ্দিন আছিল। সেই বাবে মই বুজি লৈছিলো যে মহি উদ্দিন মানে মই আৰু হজৰত মইন উদ্দিন চিশতি ভাৰত বৰ্ষৰ এজন বিখ্যাত বুজুৰ্গ আছিল সেই বাবে মই ধাৰণা কৰিছিলো যে এই নামেৰে হজৰত মছিহ মাওউদ (আঃ) ক সুচায়ছে। কিন্তু মই পিছত বুজিব পাৰিলো যে হজৰত মহি উদ্দিন চাহাব বহুত ডাঙৰ এজন বুজুৰ্গ আছিল গতিকে এই নামেৰে হজৰত মছিহ মাওউদ (আঃ) ক বুজাইছে যি জনে ধৰ্মক জিন্দা কৰিছে আৰু মইন উদ্দিন নামেৰে মোক বুজাইছে যিজনে ধৰ্মক সহায় কৰিছে। গতিকে ধৰ্মক জিন্দা কৰোঁতা হ'ল হজৰত মছিহ মাওউদ (আঃ) আৰু ধৰ্মক সহায় সহযোগিতা কৰোতা হলো মই।

আকৌ তেখেত (ৰাঃ) য়ে তেওঁৰ তৃতীয় ইলহামৰ বিষয়ে উল্লেখ কৰে যি হজৰত মছিহ মাওউদ (আঃ) ৰ মৃত্যুৰ পিছত অৱতীৰ্ণ হৈছিল। সেয়া আছিল اِعْمَلُوْٓا اٰلَ داودَشُكْرًا অৰ্থাৎঃ- এই দাউদ তুমি আল্লাহ তায়লাৰ প্ৰশংসাৰ সৈতে তাৰ আদেশবোৰ পালন কৰা। উক্ত ইলহামত اِعْمَلُوْٓا শব্দ ব্যাৱহাৰ কৰি আল্লাহ তায়লা মোক তাৰ ইচ্ছাৰ ওপৰত আমল কৰিবলৈ নিৰ্দেশ দিছে আৰু আলে দাউদ নাম দি মোক হজৰত দাউদ (আঃ) ৰ পিছত খলিফা হৈছিল আৰু তাৰ পূত্ৰসন্তানো আছিল। তেখেত (ৰাঃ) য়ে কৈছে যে মোৰ চতুৰ্থ নম্বৰ কাশফ আছিল এনেকুৱা যে মই দেখিলো যে হজৰত মছিহ মাওউদ (আঃ) বায়তুতদোৱাত বহি আছে আৰু দোৱা কৰি আছে, মোৰ আগত স্পষ্ট হ'ল যে হজৰত মছিহ মাওউদ (আঃ) য়েই ইব্ৰাহীম আছিল। আকৌ খোদা তায়লাৰ ফালৰ পৰা মোক দেখুৱা হ'ল যে উম্মতৰ মাজত আৰু ইব্ৰাহীমৰ জন্ম হৈছে। মোক কোৱা হৈছে যে হজৰত খলিফা আউৱাল ইব্ৰাহীম আধম আৰু এজন ইব্ৰাহীম তুমিও।

আকৌ উল্লেখ কৰিছে যে পাঁচ নম্বৰ সাক্ষ্য এয়া যে মই এবাৰ সপোনত দেখিলো যে এটা ঘণ্টা বাজি আছে, যাৰ শব্দ পিতলৰ চুঙা এটাত টুকুৰীয়াই দিলে উঠা শব্দৰ দৰে এটা শব্দ। কিন্তু সেই শব্দ এনেকুৱা মধুৰ যে অনুমান হয় যেনিবা গোটেই বিশ্বৰ গায়কৰ সংগীতৰ লয়, তাল ইয়াৰ মাজত নিহিত কৰা হৈছে। এই শব্দ লাহে-লাহে বাঢ়ি গৈ-গৈ অৱশেষত

এটা ফ্ৰেমৰ আকাৰ ধাৰণ কৰিলে। আকৌ মই দেখিলো যে সেই ফ্ৰেমৰ মাজত এটা ছবি দেখা পোৱা যায়, যিটো কোনোবা এজন সুন্দৰ পুৰুষৰ ছবি। আকৌ সেই ছবি লৰ-চৰ কৰিবলৈ ধৰিলে আৰু অলপ পিছতেই তাৰ পৰা এজন ব্যক্তি জাপ মাৰি মোৰ ওচৰলৈ আহিল। মই ভাবিলো এইজন খোদা তায়লাৰ ফিৰিস্তা আৰু তেওঁ মোক কয় যে; আহা মই তোমাক ছুৰা ফাতিহাৰ দৰছ দিওঁ। এনেদৰে তেওঁ মোক ছুৰা ফাতিহাৰ দৰছ দিবলৈ আৰম্ভ কৰিলে। এনেতে إِيَّاكَ نَعْبُدُ وَ إِيَّاكَ نَسْتَعِيْنُ ৰ তফছীৰ শুনাবলৈ আৰম্ভ কৰিলে। আজিলৈকে তফছিৰ কাৰী সকলে মাত্ৰ مٰلِكِ يَوْمِ الدِّيْنِ পৰ্যন্ত হে তফছিৰ লিখিছে। কয় যে কিন্তু মই তোমাক ইয়াতকৈ আগলৈ তফছিৰ কৈ আছো। তেওঁ মোক ছুৰা ফাতিহাৰ সম্পূৰ্ণ তফছিৰ পঢ়াই দিলে। যেতিয়া মই সাৰ পালো সেই ফিৰিস্তা জনে যিবোৰ কথা মোক কৈছিল তাৰে কিছুমান মোৰ মনত আছিল কিন্তু মই সেইবোৰ লিখি ৰখা নাই আৰু পিছত সেয়া পাহৰি গৈছো। পুৱাতেই মই খলিফা আউৱাল চাহাবৰ ওচৰত মোৰ এই সপোন ব্যাখ্যা কৰিলো আৰু জনালো যে যিবোৰ কথা ফিৰিস্তাজনে মোক কৈছে তাৰে কিছুমান মই সাৰপাই উঠাৰ পিছতো মনত আছিল কিন্তু বিছনাৰ পৰা উঠাৰ পিছত পাহৰি পেলালো। তেতিয়া খলিফা আউৱাল চাহাবে বেজাৰেৰে কলে যে তুমি ইমান খিনি জ্ঞান নষ্ট কৰি দিলা। সেই বোৰ লিখি লোৱা উচিত আছিল। উক্ত সপোনৰ অৰ্থ এয়া আছিল যে মোৰ অন্তৰ কোঠালিৰ বাতিনি (সোপন) শক্তিৰ মাজত ছুৰা ফাতিহা আৰু কোৰ'আনৰ গভীৰ ভাৰ যুগুতাই দিয়া হৈছে। যিবিলাক মাজে সময়ে গোপন ইলহামৰ সৈতে প্ৰয়োজন অনুসৰি প্ৰকাশ কৰি দিয়া হ'ব।

আকৌ উল্লেখ কৰে যে; যেতিয়া জমাতত মতভেদ আৰম্ভ হ'ব আল্লাহ তায়লা ইলহামৰ দ্বাৰা কয় لَنُمَزِّقَنَّهُمْ- অৰ্থাৎঃ- মই সিহঁতক খণ্ড বিখণ্ড কৰি দিম। সেই সময়ত ৯৫% জনে মতবিৰুধ কৰিছিল আজি সেই সকলৰ অৱস্থা কেনে হৈছে। সচঁকৈয়ে আল্লাহ তায়লা খণ্ড বিখণ্ড কৰি দিছে। সেয়ে খোৱাজা কামাল উদ্দিন চাহাবে তাৰ মৃত্যুৰ আগে লিখি থৈ গৈছে যে মিৰ্জা বশিৰ উদ্দিন মেহমুদ চাহাবে আমালোকৰ বিষয়ে যি ইলহাম ছপা কৰিছিল সেয়া পূৰ্ণ হৈছে আৰু সচাঁকৈয়ে আমি খণ্ড বিখণ্ড হৈ গৈছো।

আকৌ তেখেত (ৰাঃ) য়ে কৈছে যে; আল্লাহ তায়লা বাৰ-বাৰ মোৰ ওপৰত তাৰ ৰহস্য প্ৰকাশ কৰি এই ভৱিষ্যৎ বাণী সত্যত পৰিণত কৰিছে যে মুচলেহ মাওউদ খোদা তায়লাৰ ৰোহে হ'ক ৰ সৌভাগ্য লাভ কৰিব। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; এই ভৱিষ্যবাণীৰ ব্যাখ্যা অতি দীঘল। ভৱিষ্যতৰ দিনবোৰত গৈ এই সম্পৰ্কে জমাতত জলছা অনুষ্ঠিত কৰা হ'ব। এম.টি.এৰ. মাজেৰে প্ৰোগ্ৰাম চলোৱা হৈছে। জমাতৰ সদস্য সকলে তাত অংশগ্ৰহন কৰা উচিত। যাতে এই বিষয়ে গভীৰ জ্ঞান অৰ্জন হয়। উক্ত ভৱিষ্যবাণীত অসংখ্য নিদৰ্শন আছে যিবোৰ মুচলেহ মাওউদ (ৰাঃ) ৰ মাজেদি পূৰ্ণতা লাভ কৰিছে। আল্লাহ তায়লা আমালোকক সেইবোৰ বুজাৰ তৌফিক দান কৰক। আমিন।

☆ ☆ ☆ ☆

**Assamess Khulasa Khutba Jumma Huzoor Anwar 17 February 2017**

**BOOK POST (PRINTED MATTER)**

**To**

______________________________

______________________________

______________________________

From: Ahmadiyya Circle Office, Abhayapuri M.G.Road W/N- IV Bongaigaon Assam 783384. # 9864337890